অসম

ৰাজীৱ ভৱনত জুবিন গার্গৰ জন্মদিন পালন, ন্যায়ৰ দাবীত সৰৱ কংগ্রেছ

গুৱাহাটীৰ ৰাজীৱ ভৱনত জুবিন গার্গৰ জন্মদিন উপলক্ষে শ্রদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হয়। শিল্পীগৰাকীৰ ন্যায়ৰ দাবীত সংগ্রাম অব্যাহত ৰখাৰ আহ্বান জনায় কংগ্রেছে।

প্রকাশ: ১৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৩৭



Assam Congress observes Zubeen Garg's birthday at Rajiv Bhavan (NewzNow)

গুৱাহাটী, ১৮ নৱেম্বৰ: প্রাণৰ শিল্পী জুবিন গার্গৰ জন্মদিন উপলক্ষে মঙলবাৰে গুৱাহাটীৰ ৰাজীৱ ভৱনত শ্রদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰে অসম প্রদেশ কংগ্রেছ কমিটীয়ে।

পুৱাৰ ভাগত অনুষ্ঠিত অনুষ্ঠানত শিল্পীগৰাকীৰ প্রতিচ্ছবিত পুষ্পাঞ্জলি অর্পণ আৰু বন্তি প্রজ্বলন কৰি শ্রদ্ধা নিবেদন কৰা হয়।

অনুষ্ঠানত বিধায়িকা বেবী বেগম, প্রদেশ কংগ্রেছৰ জ্যেষ্ঠ নেতা তথা সাধাৰণ সম্পাদক বিপুল গগৈ, মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্রত বৰা, জ্যেষ্ঠ কংগ্রেছ নেতা গুণকান্ত গগৈ, মইনাজান বেগমকে ধৰি শতাধিক দলীয় নেতা-কর্মীয়ে অংশগ্রহণ কৰে। কর্মীসকলে সমস্বৰে জুবিন গার্গৰ জনপ্রিয় গীত ‘মায়াৱিনী’ পৰিৱেশন কৰে।

চমু ভাষণত বিপুল গগৈয়ে জুবিন গার্গে অসমৰ মানুহক কিমান ভাল পাইছিল আৰু তেওঁৰ জাতীয় প্রেমৰ ব্যাপ্তি কিমান আছিল, সেই সন্দর্ভত বক্তব্য আগবঢ়ায়।

বেদব্রত বৰাই জুবিন গার্গৰ ন্যায়ৰ দাবীত সকলোৱে সমস্বৰে মাত মাতি ন্যায় নোপোৱালৈকে সংগ্রাম চলাই যোৱাৰ সংকল্প গ্রহণ কৰিবলৈ আহ্বান জনায়।

> চৰকাৰে এখন দুর্বল চার্জশ্বীট দাখিল কৰাৰ বাবেই জুবিন গার্গৰ হত্যাৰ অভিযুক্তসকলে এজন এজনকৈ জামিন পাইছে। মুখ্যমন্ত্রীয়ে হত্যাকাণ্ড বুলি ঘোষণা কৰাৰ পিছতো অভিযুক্তসকলে এনেদৰে জামিন পোৱাটোৱে এই চৰকাৰৰ পৰা জুবিন গার্গে ন্যায় নাপায় বুলি প্রমাণ কৰিছে।

অনুষ্ঠানত কংগ্রেছৰ কেইবাগৰাকীও জ্যেষ্ঠ নেতা-নেত্রীয়ে চমু ভাষণৰ জৰিয়তে শিল্পীগৰাকীক স্মৰণ কৰে।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/4129/zubeen-garg-birthday-rajiv-bhavan-congress